মান্নত কৰিবলৈ নিষেধ কৰিছে, আৰু কৈছেঃ "নযৰ তথা মান্নতে কেতিয়াও কল্যাণ কঢ়িয়াই নানে, ইয়াৰ দ্বাৰা কেৱল কৃপণ ব্যক্তিৰ পৰা ধনহে উলিয়াই লোৱা হয়।

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছে যে, নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে মান্নত কৰিবলৈ নিষেধ কৰিছে, আৰু কৈছেঃ "নযৰ তথা মান্নতে কেতিয়াও কল্যাণ কঢ়িয়াই নানে, ইয়াৰ দ্বাৰা কেৱল কৃপণ ব্যক্তিৰ পৰা ধনহে উলিয়াই লোৱা হয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নযৰ তথা মান্নত কৰিবলৈ নিষেধ কৰিছে। এইটো হৈছে এনেকুৱা এটা বিষয় যিটোক ব্যক্তিয়ে নিজেই নিজৰ ওপৰত অনিবাৰ্য কৰি লয়, চৰীয়তে সেইটোক অনিবাৰ্য কৰা নাই। তেখেতে কৈছেঃ নযৰ আৰু মান্নতৰ ফলত কোনো বিষয় আগুৱায়ো নাহে আৰু পিছুৱায়ো নাযায়। বৰং এইটো হৈছে কৃপণৰ পৰা ধন উলিওৱাৰ এটা উপায়, যিয়ে কেৱল সেই কাম কৰে যিটো তাৰ ওপৰত বাধ্যতামূলক। ভাগ্যত যিটো নাই, নযৰ তথা মান্নতে কেতিয়াও সেইটোক ঘূৰাই আনিব নোৱাৰে।

http://sunnah.global/hadeeth/as/show/2960